# অসম জাতীয় বিদ্যালয়

## নুনমাটি, গুৱাহাটী ৭৮১০২০

*তাৰিখ : ২২/০৪/২০১৭*

---

**অসম জাতীয় বিদ্যালয়ত সদৌ অসম ভিত্তিত আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা উদ্‌যাপন**

**নুনমাটি, গুৱাহাটী, ২২ এপ্ৰিল** : নুনমাটিস্থ অসম জাতীয় বিদ্যালয়ত অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ উদ্যোগত ২২ এপ্ৰিল তাৰিখে সদৌ অসম ভিত্তিত এখনি আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই বন্তি প্ৰজ্জ্বলন কৰি এই তৰ্ক প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছত বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে প্ৰতিযোগীসকলক শুভেচ্ছামূলক বক্তৃতাৰে আদৰণি জনায়। এই প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰ জাতীয় বিদ্যালয়ৰপৰা প্ৰায় ২০খন বিদ্যালয়ৰ ৩৮ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত অধ্যক্ষৰ আসন গ্ৰহণ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক ড° অৰনী কুমাৰ ভাগৱতীদেৱে। আনহাতে বিচাৰক হিচাপে দায়িত্ব গ্ৰহণ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ এম. এড. শ্ৰেণীৰ সহকাৰী অধ্যাপিকা ড° বিদুলা শৰ্মা, পুঠিমাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নিত্যানন্দ কলিতা আৰু গুৱাহাটী কমাৰ্চ কলেজৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° অমৰেন্দ্ৰ কলিতাই। আজিৰ এই তৰ্ক প্ৰতিযোগিতাৰ বিষয় আছিল সদনৰ মতে- "অসমৰ বৈদ্যুতিন মাধ্যমে থলুৱা ভাষা-সংস্কৃতিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে।" (In the opinion of the house - "The Electronic Media of Assam has become a threat to its ethnic language and culture". )

উল্লেখ্য যে অধ্যক্ষৰ আসনৰ পৰা ড° অৰনী কুমাৰ ভাগৱতীদেৱে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। আটাইকেইগৰাকী বিচাৰকে তেওঁলোকৰ বক্তব্যত প্ৰতিযোগীসকলক ভৱিষ্যতে অধিক আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণা যোগায়। এই প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থী ৰিডম দাসে। প্ৰতিযোগিতাৰ দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ তাৰ্কিক হিচাপে পুৰস্কৃত হয় ক্ৰমে জাতীয় বিদ্যালয় ছিপাঝাৰৰ জুমন কৌশিক আৰু গোলাঘাট জাতীয় বিদ্যালয়ৰ অনুৰণ শইকীয়া। এই প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল হিচাপে প্ৰথম স্থান লাভ কৰে জাতীয় বিদ্যালয় ছিপাঝাৰে। আনহাতে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে অসম জাতীয় বিদ্যালয়, নুনমাটি আৰু গোলাঘাট জাতীয় বিদ্যালয়ে। এই অনুষ্ঠানটিৰ আহ্বায়কৰ দায়িত্বত থাকে বিদ্যালয়ৰ শিক্ষয়িত্ৰী মানসী বৰুৱা।

ঘনশ্যাম মেধি

অধ্যক্ষ

অসম জাতীয় বিদ্যালয়

নুনমাটি, গুৱাহাটী